# Manas

A quarterly newsletter

# বাঘ

সংকটত বনৰ ৰজা

# Editorial

## *Conservation Education as vehicle of change*

The role of education in conservation has been highly acknowledged by many prominent conservationists of the world. Under Manas Tiger Conservation Programme (MTCP), special emphasis has been given for Conservation Education (CE) programmes so that we can facilitate in building a positive conservation scenari-oin the entire Manas Landscape. As part of our strategy for effective Conservation Education, we have engaged with Schools, Community Organisations, Village Institutions, Govt. Line Departments, Youth Groups, etc. and initiated specific target oriented activities with them. Most of such activities are aimed as a collaborative approach with local community level groups and different school level bodies like School Managing Committee, etc. With strong linkage to livelihood issues, most CE progrmmes are synergizing with the MTCP's livelihood interventions aiming more community support and cohesiveness. This newsletter will mostly focus on disseminating CE issues to different stakeholders and we hope that through the newsletter a platform would be established to exchange ideas on CE with special emphasis on MTCP. We are looking forward for your contributions in terms of suggestions, ideas, write ups and other relevant information.

বাঘ- বনৰ ৰজা। হালধীয়া ৰঙৰ প্ৰাণীবিধৰ দেহত ঢেঁকীয়া পাতৰ দৰে সিঁচৰতি ক'লা পটিবোৰৰ বাবেই ইয়াক ঢেঁকীয়াপটীয়া বাঘ (Royal Bengal Tiger) বুলি কোৱা হয়। মানুহৰ আঙুলিৰ চাপৰ লেখীয়াকৈ এই পটিবোৰ প্ৰতিটো বাঘৰ ক্ষেত্ৰতে স্বকীয়। বাঘ আমাৰ ৰাষ্ট্ৰীয় প্ৰাণী। মেকুৰীজাতীয় প্ৰাণীবোৰৰ ভিতৰত বাঘেই আকাৰত আটাইতকৈ ডাঙৰ। স্থলচৰ মাংসাহাৰী জন্তুবোৰৰ ভিতৰত বাঘৰ কুকুৰ-দাঁত আটাইতকৈ দীঘল। ইহঁতৰ নখবোৰ অতি তীক্ষ্ণ আৰু ইচ্ছানুসৰি ওলোৱা-সুমুৱা কৰিব পাৰে। নিশাৰ অন্ধকাৰতো ইহঁতৰ দৃষ্টিশক্তি তীক্ষ্ণ। বাঘে ঘণ্টাত প্ৰায় ৩৫ কিলোমিটাৰ বেগেৰে দৌৰিব পাৰে।

সাধাৰণতে বাঘে অকলশৰীয়াকৈ বাস কৰে। কেৱল প্ৰজননৰ সময়তহে মতা-মাইকী একলগ হোৱা দেখা যায়। পোৱালীবোৰ তিনিমহীয়া হ'লে মাকৰ তত্বাৱধানত হাবিত ফুৰা-চকা কৰিবলৈ লয়। কাচিৎহে বাপেক বাঘে মাক-পোৱালীক সংগ দিয়ে। এখন জংঘলত একোটা বাঘৰ নিজৰ এক নিৰ্দিষ্ট সাম্ৰাজ্য বা বিচৰণক্ষেত্ৰ থাকে। অৰ্থাৎ ইহঁতে নিজৰ বাবে এক নিৰ্দিষ্ট এলেকা নিৰ্ধাৰণ কৰি লয় আৰু এই সীমা বা এলেকাক বেলেগ বাঘ বা বাঘিনীৰ পৰা খুব ভালদৰে সুৰক্ষা দি ৰাখে। ক্ৰান্তীয় অঞ্চলৰ প্ৰায়বোৰ উৰ্বৰ অৰণ্যতে বাঘ পোৱা যায়। সাগৰপৃষ্ঠৰ পৰা ৪৭০০ মিটাৰ উচ্চতা পৰ্যন্তত ইহঁতক পোৱা যায়। প্ৰধানতঃ বাসস্থান, পানী আৰু খাদ্য বা চিকাৰৰ সহজলভ্যতাৰ ওপৰত ভিত্তি কৰি কোনো অৰণ্যত বাঘ থকা বা ইয়াৰ আবাদী সম্পৰ্কীয় কথাবোৰ নিৰ্ভৰ কৰে। ইহঁতে - ৩৫ ডিগ্ৰী চেলছিয়াছৰ পৰা ৪৮ ডিগ্ৰী চেলছিয়াছ উষ্ণতাতো বৰ্তি থাকিব পাৰে।

### বিস্তৃতি আৰু আবাদীঃ

এটা সময়ত বাঘ সমগ্ৰ এচিয়া মহাদেশৰ লগতে ৰাছিয়াৰ পূব উপকূলতো পোৱা গৈছিল। কিন্তু ইহঁত বৰ্তমান দক্ষিণ-পশ্চিম আৰু মধ্য এচিয়া মহাদেশৰ লগতে ইণ্ডোনেছিয়াৰ বালি আৰু জাভা দ্বীপৰ পৰাও নিশ্চিহ্ন হ'ল। সম্প্ৰতি ইহঁতৰ বিস্তৃতি ভাৰতীয় উপ-মহাদেশৰ প্ৰান্তীয় ১৩ খন ৰাষ্ট্ৰ, দক্ষিণ-পূব এছিয়া আৰু ৰাছিয়াতেই সীমাবদ্ধ। সুখবৰ যে ভাৰতৰ ১৭খন ৰাজ্যত এতিয়াও বাঘ পোৱা যায়। যোৱা ১০০ বছৰত এই ঢেঁকীয়াপতীয়া বাঘৰ বাসস্থান বিশ্বত প্ৰায় ৯৪ শতাংশ হ্ৰাস পাইছে। (অৰ্থাৎ এশ বছৰ আগত যদি বাঘৰ বাসস্থান আছিল ১০০ বৰ্গকিলোমিটাৰ এতিয়া ই কমি আহি মাত্ৰ ৬ বৰ্গকিলোমিটাৰত ৰৈছেগৈ।) উল্লেখ্য, কুৰি শতিকাৰ আৰম্ভণিতে ভাৰত প্ৰায় ৪০,০০০ টা জীৱন্ত বাঘৰ বাসস্থান আছিল। সৰ্বভাৰতীয় পৰ্যায়ত চলোৱা সমীক্ষা অনুসৰি ভাৰতত বন্যাৱস্থাত বাঘৰ আবাদী এনেধৰণৰ— ২০০৬ চনত ১৪১১, ২০১০ চনত ১৭০৬ আৰু শেহতীয়া সমীক্ষাত ২০১৪ চনত ২২২৬। এয়া ক্ষেত্ৰভিত্তিক অধ্যয়নৰ পৰা উপলব্ধ এক আনুমানিক পৰিসংখ্যাহে, আৰু এই পৰিসংখ্যাই ডেৰ বছৰ বয়সৰ ওপৰৰ বাঘকহে সুচাইছে।

উল্লেখ্য যে ৰাষ্ট্ৰীয় বাঘ সংৰক্ষণ প্ৰাধিকৰণৰ তথ্যানুসৰি অসমত ঢেঁকীয়াপটীয়া বাঘৰ আবাদী এনেধৰণৰ— ২০০৬ চনত ৭০, ২০১০ চনত ১৪৩ আৰু ২০১৪ চনত ১৬৭ ইয়ে প্ৰতিপন্ন কৰে যে অসমত বাঘৰ আবাদী ক্ৰমে বাঢ়িবলৈ ধৰিছে।




Feb.-Apr., 2017
Vol - 1
No: 1



বাঘৰ জীৱন বুৰঞ্জীঃ

মতা বাঘ আকাৰত মাইকী বাঘতকৈ ডাঙৰ। মতাৰ ওজন প্ৰায় ১৭৫-২৬০ কিলোগ্ৰাম হোৱাৰ বিপৰীতে মাইকীৰ ১০০-১৬০ কিলোগ্ৰাম হয়। আনহাতে মতাবোৰ দীঘলে ৮-১০ ফুট আৰু মাইকীবোৰ ৭-৮ ফুট পৰ্যন্ত হয়। নেজ ২.৫-৩.৬ ফুট পৰ্যন্ত দীঘল হয়। ইহঁতৰ উচ্চতা প্ৰায ৩.৬ ফুট। ৩-৪ বছৰ বয়সত ইহঁত প্ৰজননক্ষম হয়। গৰ্ভাধাৰণ কাল ১০২ৰ পৰা ১০৮ দিন। মাইকী বাঘিনীয়ে এবাৰত ২-৫টা পৰ্যন্ত পোৱালী জন্ম দিয়ে। জংঘলত ইহঁতৰ গড় আয়ুস ৮-১২ বছৰ।

খাদ্যাভ্যাসঃ

বাঘে সাধাৰণতে এককভাৱে চিকাৰ কৰে। ইহঁতে অতি কম দূৰত্বৰ পৰা চোঁচা লৈ চিকাৰক পিছ ফালৰ পৰা আক্ৰমণ কৰে। চিকাৰৰ ডিঙিত কামুৰি শ্বাসৰুদ্ধ কৰি মাৰে। খুৰা থকা জন্তুবোৰেই (ungulate) বাঘৰ প্ৰধান খাদ্য বা চিকাৰ।

বাঘৰ গুৰুত্বঃ

এখন জংঘলত এটা সুস্থ পৰিস্থিতিতন্ত্ৰ ৰক্ষাৰ ক্ষেত্ৰত বাঘৰ গুৰুত্ব অপৰিসীম। বাঘ থকা এটা পৰিস্থিতিতন্ত্ৰৰ অন্তৰ্গত আন জীৱ প্ৰজাতিৰ ওপৰতো ইয়াৰ প্ৰভাৱ লক্ষণীয়। বাঘ আমাৰ কৃষ্টি-সংস্কৃতিৰ লগতো ওতপ্ৰোতঃভাৱে জড়িত। ই আমাৰ সংস্কৃতিৰ ধ্বজাবাহক। জনমানসত বাঘ এক বীৰত্বৰ প্ৰতীক। ইয়াক লৈ প্ৰচলিত আছে অনেক জনবিশ্বাস। ই অতীজৰে পৰা আমাক দি আহিছে কল্পনাৰ এক অনন্য জগত। আমাৰ দেশ ভাৰতক বিশ্বত বাঘেই দিছে এক সুকীয়া পৰিচয়। জংঘলত এপল জীৱন্ত বাঘক স্বচক্ষে উপভোগ কৰাৰ প্ৰৱল হেঁপাহৰ বাবেই বছৰি বিশ্বৰ ভিন্ন প্ৰান্তৰ পৰা আগমন হয় অনেক পৰ্যটকৰ। এই পৰ্যটনেই বহু লোকৰ জীৱিকাৰ প্ৰধান উৎস। বনত বাঘৰ বিলুপ্তিৰ লগে লগে ই কেৱল পৰিস্থিতিতন্ত্ৰতেই নহয় আমাৰ অৰ্থনীতি তথা কৃষ্টি-সংস্কৃতিতো বিৰূপ প্ৰভাৱ পেলাব।

আইনী সুৰক্ষা আৰু সংৰক্ষণ স্থিতিঃ

ভাৰত চৰকাৰে ১৯৭০ চনতেই বাঘ চিকাৰ নিষিদ্ধ কৰি থৈছে। তদুপৰি ১৯৭২ চনতে চৰকাৰে বাঘ তথা অন্যান্য বন্যজীৱক আইনীভাৱে সুৰক্ষা দিয়াৰ বাবে বন্যপ্ৰাণী (সুৰক্ষা) আইন, ১৯৭২ কাৰ্যকৰী কৰে। ১৯৭৩ চনত ব্যাঘ্ৰ প্ৰকল্প নামৰ এক সুকীয়া সংৰক্ষণ আঁচনিৰ সূচনা কৰা হয়।

বন বন্যপ্ৰাণীৰ সংৰক্ষণ বিষয়ক এক আন্তঃৰাষ্ট্ৰীয় সংস্থা, আই ইউ চি এন-এ (IUCN) বাঘক বিলুপ্তপ্ৰায় (Endangered) প্ৰাণীৰ শাৰীত ৰাখিছে। আনহাতে, বন্যপ্ৰাণী (সুৰক্ষা) আইন, ১৯৭২ অনুসৰি বাঘক তালিকা-১ত অন্তৰ্ভুক্ত কৰা হৈছে। তালিকা-১ত (Scheduel-I) আটাইতকৈ সংকটাপন্ন প্ৰাণীবোৰক স্থান দিয়া হৈছে। বাঘক হত্যা কৰা বা ইয়াৰ দেহৰ কোনো অংগ-প্ৰত্যংগ বিক্ৰী কৰা আনকি বাঘ মাৰিবলৈ উচটনি দিয়া বা প্ৰৰোচিত কৰা কাৰ্যৰ শাস্তি ৬ বছৰ পৰ্যন্ত কাৰাবাস বা ২৫,০০০ টকা জৰিমণা অথবা অপৰাধীয়ে এই দুয়োটাৰে সন্মুখীন হ'ব লাগিব পাৰে।

ব্ৰ্যাঘ্ৰ প্ৰকল্প আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলঃ

ব্যাঘ্ৰ প্ৰকল্প (Tiger Project) হৈছে ভাৰত চৰকাৰ কেন্দ্ৰীয় অনুদানেৰে চলা এক আঁচনি। এই আঁচনিৰ পৰিচালনাত আছে ভাৰত চৰকাৰৰ 'ৰাষ্ট্ৰীয় বাঘ সংৰক্ষণ প্ৰাধিকৰণ' (National Tiger Conservation Authority)। আনহাতে, ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলসমূহৰ (Tiger Reserve) জৰিয়তে ভাৰতত বাঘক সুৰক্ষিত বাসস্থান প্ৰদান কৰিব বিচৰা হৈছে। ভাৰতত ৫০ খন এনে সংৰক্ষিত বনাঞ্চল আছে, ইয়াৰ ভিতৰত আমাৰ অসমত আছে চাৰিখন।

ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলে কেৱল বাঘকে সুৰক্ষিত কৰিব বিচাৰিছে এনে নহয়। বাঘৰ লগতে সেই বনাঞ্চলত থকা আন সকলো জীৱ তথা বাসস্থানকো সুৰক্ষিত কৰিব বিচাৰিছে। সেয়েহে,বাঘ নথকা বনাঞ্চলকো ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰা হৈছে। মনকৰিবলীয়া যে, ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ কাষৰীয়া জনসাধাৰণৰ জীৱন-জীৱিকাৰ ক্ষেত্ৰতো এই সংৰক্ষণ প্ৰক্ৰিয়াৰ মাজেৰে যথেষ্ট গুৰুত্ব প্ৰদান কৰা হৈছে।

বাঘ গণনাৰ কিটিপ

বাঘৰ দেহৰ পটিবোৰ প্ৰতিটোৰে ক্ষেত্ৰত স্বকীয়, আনকি একেটা বাঘৰ দুয়ো ফালৰ পটিবোৰবো সাদৃশ্য নাথাকে। স্বয়ংক্ৰিয় কেমেৰাৰ সহায়ত এক বিজ্ঞানসন্মত পদ্ধতিৰে ফটো তুলি বাঘৰ গণনা কৰা হয়। এই পদ্ধতিটোক 'কেমেৰা ট্ৰেপিং' বুলি কোৱা হয়। কেমেৰা ট্ৰেপিঙৰ জৰিয়তে সাধাৰণতে বাঘে ঘূৰি ফুৰা বাটৰ দুয়োফালে দুটা কেমেৰা এনেদৰে লগাই থোৱা হয় যাতে ইয়াৰ মাজেৰে বাঘ পাৰ হৈ গ'লে প্ৰায় একে সময়তে দেহৰ দুয়োফালৰ ছবি তুলিব পৰা যায়। এনেদৰে বহুসংখ্যক কেমেৰাৰ জৰিয়তে পোৱা ফটোবোৰৰ পৰা একোটা নিৰ্দিষ্ট বাঘক চিনাক্ত কৰি কোনো এক বনাঞ্চলত থকা বাঘৰ সংখ্যাৰ বিষয়ে জানিব পাৰি।

বাঘৰ অস্তিত্বৰ প্ৰতি ভাবুকি

—বাঘৰ উপযুক্ত আবাসভূমিৰ সংকোচন — বাঘৰ স্বাভাৱিক আবাসভূমিত দেখা দিয়া অত্যধিক ব্যাঘাত — চিকাৰ বা খাদ্যপ্ৰাণীৰ অভাৱ
— বাঘৰ চোৰাং চিকাৰ — বিষ দি বাঘ হত্যা

অসমৰ ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলসমূহ

মানাহ ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল (৩১৫০.৯২ বৰ্গকিলোমিটাৰ), কাজিৰঙা ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল (১১৭৩.৫৮ বৰ্গকিলোমিটাৰ),
নামেৰি ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল (৩৪৪ বৰ্গকিলোমিটাৰ), ওৰাং ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল (৪৯২.৪৬ বৰ্গকিলোমিটাৰ)

— ড° ফিৰোজ আহমেদ, দিপাংকৰ লহকৰ আৰু জয়ন্ত কুমাৰ পাঠক

## বিদ্যালয়ৰ পৰিবেশ বাৰ্তা -

-मुलुगनां दैब' सान- (wetland day)

दिनै 2 फेब्रुवारि, 2017 इं खालाराव सिरां जिलानि सिडाव थानाय पानबारि Girls High School याव मुलुगनां "दैब' सान" खौ फालियो। हाबाफारि बादियै गिबि गिबियियावनो फरायसाफोरनि गेजेराव हर खाब बिबुंथि बुंनाय बादायलायहोनाय जायो। बे हाबाफारियाव फरायसाफोरनि गोसो गुदुंयै बाहागो लानाया जोबोद बाखनायथाव जादों। दैब' ओनसोलखौ सरैखाथि होनायनि गोनांथि आरो सुबुं माहारि जों लोगोसे अरनारि जिबनि थांना थानायाव दैब' ओनसोलनि बहिमानि सायाव दिनैनि फालिथायाव गाहाय आलासि महरै बाहागो लानाय एबा मानास हायुडारि हाग्रामानि सायाव जुनिया मावखगिरिन बिबान (अ. एस. दि.) लाना हाबा मावनाय बिथां धर'निधर बर'आ जोबोर ओंथि गोनाङै गेबें रावजों बिबुंथि लाखियो। हाबाफारियाव फरायसा आरो फोरोंगिरिफोरजों लोगोसे साखाथियाव थानाय सांग्रां सुबुंफोराबो बाहागो लायो।

-हायुडारि बिगियान सान – (science day)

2017 इं मायथाइनि फेब्रुवारि राननि 28 खालाराव सिरां जिलानि सिडाव थानाय 1नं. सावरां गुदि फरायसालियाव अरन्यकआ सानसेंनि हाबाफारिजों "हायुडारि बिगियान सान" खौ फालियो। आरोंदानि आनदोआव थारैनो बिगियानआ मा बे बाथ्राखौ फरायसाफोरनि सिगाडाव मोननैसो फिसा फिसा मावदिनथिनि हेफाजाबै बुंफोरना होनाय जायो। गोजोनथाव बाथ्रादि, बिगियान आरो बेनि बाहायथाइ लोगोसे सानथौखौ मोनदांनायनि उनाव फरायसाफोरा बाथुल गावनायखौ हगारनो समाय-खिरा लायो । मख'नो गोनांदि, बे हाबाफारियाव फरायसा आरो फोरोंगिरिफोरजों लोगोसे साखाथियाव थानाय सांग्रां सुबुंफोराबो बाहागो लायो।

পৰিবেশ অনুকূল দৌল উৎসৱ-

দৌল উৎসৱৰ আগে আগে পৰিবেশ অনুকূল ফাকুৱা উৎসৱ আয়োজিত কৰা হয় ক্ৰমে বাকসা জিলাৰ সেউজ জাতীয় বিদ্যালয় আৰু বৰঘাগ্ৰা মধ্য ইংৰাজী বিদ্যালয়ত। দুয়োখন বিদ্যালয়ত ছাত্ৰ- ছাত্ৰীৰ মাজত প্ৰাকৃতিক ভাৱে আহৰণ কৰিব পৰা ৰঙৰ ওপৰত আলোকপাত কৰা হয়। হালধি, জেতুকা, পলাশ, নীলা, অপৰাজিতা পুঁৰৈ শাকৰ গুটি, বেচন, মচুৰ দাইলৰ গুড়ি, চাহপাত ইত্যাদিৰে কেনেকৈ ফাকুৱা উৎসৱ পৰিবেশ অনুকূল ভাবে উপভোগ কৰিব পাৰি তাৰ ওপৰত সজাগতা সৃষ্টি কৰা হয়।

বিশ্ব বন দিৱস-

বিশ্ব বন দিৱস উপলক্ষে ২১মাৰ্চ, ২০১৭ তাৰিখে বাকসা জিলাৰ বিৰগুশ্ৰী (Birgwsri) ছোৱালী মধ্য ইংৰাজী বিদ্যালয়ত ছাত্ৰ- ছাত্ৰীৰ মাজত বিশ্ব বন দিৱস পালন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ চৌহদত এডাল বকুল গছ ৰোপন কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত নিজৰ নিজৰ ভালপোৱা গছৰ ছবি অকাঁৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

-मुलुगनां दै सान- (Water day)

दिनै 22 मार्स, 2017 इं खालार बाक्सा जिलानि सडिाव थानाय दिन' नाथ गेजेर फरायसालियाव बिबार-फिथाइ-मैगं, फोनांजाब गेलेनाय, रोदा आरो बिलायखौ नायनानै लाइफांनि माजायारि रोखोमखौ सिनायथिनाय आदबखौ दिनथिफुंनाय , दै हमथाना लाखिनायाव लाइफांनि बिफाव, आद्रियै दै बाहायनायनि गाज्रि फिथाइ बाइदि बाइदि बाथ्राफोरखौ फरायसाफोरजों सावरायनाय हाबाफारिनि गेजेरजों दिनै "मुलुगनां दै सान" खौ फालिनाय जायो।


-मुलुगनां बुहुम सान- (Earth day)

मानास हायुडारि हाग्रामायाव थानाय **हादोरारि** जुनाद मोसानि सरैखाथिखौ मेरु खालामना थांखिजानाय ओनसोलनि फरायसाफोरनि गेजेराव सरैखाथियारि सांग्रांथि लाबोनो थाखाय बायदि हाबाफारिनि गेजेरजों अरन्यकआ खामानि मावबोगासिनो दं । बे बोसोरावबो एप्रिल दाननि 22 खालाराव सिरां जिलानि सिडाव थानाय खुंख्राजरा आरो गियानज्यति गेजेर फरायसालि लोगोसे बाक्सा जिलानि राबां बर' बाजाराव थानाय इउ. एन. एकादेमिआव सावरायथाइ, आबहावायारि गेलेनाय, मिथिंगानि सायाव सावगारि बोनाय बादायलायनाय, थुलुंगायारि बानथा होनाय बाइदि हाबाफारि लानानै फोरोंगिरि आरो फरायसाफोरनि मददजों "मुलुगनां बुहुम सान" खौ मेहेर गोनाङै फालियो। मोनफ्रोमबो हाबाफारियाव फरायसाफोरनि गोसो गुदुयै बाहागो लानाया जोबोद बाखनायथाव जादों। थुलुंगायारि बानथा बावनाय समाव इउ. एन. एकादेमिनि बिथोनगिरि बिथां प्रमद सरगियारिआ गोजोननायजों लोगोसे फरायसाफोरखौ थाखिनानै दिनैनि बे ओंथि गोना साननिसायाव सुंद' बिबुंथि लाखियो। मख'जाथावदि, इयुननि सानफोरावबो अरन्यकआ जायखि जाया आबहावायारि सांग्रांथिनि हाबाफारिफोरखौ फरायसाफोरनि गेजेराव मावलांनो थाखाय खावलायनाय जों लोगोसे गनायथिनि दरजाखौ बेखेवना होयो।

বিশ্ব ঐতিহ্য দিৱস-

চিৰং জিলাৰ পানবাৰী মধ্য ইংৰাজী বিদ্যালয়ত ১৮ এপ্ৰিল ২০১৭ তাৰিখে বিশ্ব ঐতিহ্য দিৱস পালন কৰা হয়। এই দিৱসত সমল ব্যক্তি হিচাপে উপস্থিত থকা এবছু (ABSU) ৰ উপ সভাপতি গৌমস্ৰাং ব্ৰহ্ম মানাহ অভয়াৰণ্যৰ ঐতিহ্যৰ কথা উল্লেখ কৰে। ছাত্ৰ ছাত্ৰী সকলে নিজৰ শ্ৰেণী কোঠাৰ নামবোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহৰ লগত জড়িত গছ-গছনি তথা জীৱ-জন্তুৰ নামেৰে নামাকৰণ কৰে।

## Now conservation is a need




"People learn from bad experiences" the hidden truth of Mr Deldi Boro is really heart-touching. He belongs to a beautiful fringe village of Manas National Park which is known as No-4 Chaurang. But people did not understand the value of wildlife species during that time. Simultaneously, Mr Deldi Boro influenced to a poachers group and started hunting inside the Manas National Park. In the poachers group 42 individual were associated and easily control the trades of wild meat. During the Bodoland movement, the poacher group got permission to kill some prestigious wild animals like Rhinoceros, tiger elephant. On the other hand NDFB group collect taxes on behalf of animal killed by the poachers from the poachers. The poaching inside the Manas National Park continued till 24 June, 2007. On the very special day the 42 members group of poachers surrendered in front of BTC forest department with 125 handmade rifles.

Mr Deldi Boro is a well known conservationist of the Manas National park. He is currently working with the Assam forest department as a casual staff under the provision of Assam government. He is recognized to many well established conservation organizations in India including Aaranyak, WWF, WTI and ATREE. In the field of conservation Mr Deldi Boro's experienced is really conspicuous. It makes him to received certificates and awards from several organizations such as Aaranyak, forest department of BTC in 2012. Presently he has been giving full concentration to conserve and make more beauty to the Manas National Park.

Then the 42 members group of poacher directly promised to work on the conservation of Manas National Park since 24 June, 2007. Since then, the dedication towards conservation of Mr Deldi Boro recognized himself a very good conservationist and spreading knowledge towards society to work on conservation as it is "the right sprit and right action."

**- Detsung Basumatary**

# Eco-Q

by- ARNAV BAYAN

**Ecology is the scientific analysis and study of interactions among organisms and their environment. It is an interdisciplinary field that includes biology, geography and earth science. The term was coined by the German biologist Ernst Haeckel. In this issue there are some questions on Ecology of Assam for you. Go through it and check out the answers. Be honest. Enrich your Q-pacity !!**

1. This UNESCO World Heritage Site located in the Himalayan foothills which name has been derived from a major tributary river passes through the heart of it was declared a sanctuary on 1 October 1928 with an area of 360 square kilometer. It was previously used by the Cooch Behar Royal Family and Raja of Gauripur as a hunting reserve. What ?

2.This is a forest on Majuli island in the Brahmaputra river in Kokilamukh , Jorhat district, Assam. The forest was single handily planted by a person in a time span of 30 years and encompasses an area of about 1,360 acres. He planted and tended trees on a sandbar of the Brahmaputra River turning it into a forest reserve which is now a house of Bengal Tigers, Rhinoceros, over 100 elephant which gave birth to more than 10 calves in this year, over 100 deer and rabbits besides apes and a large number of bird species including vultures. Name the forest & also this Padma Shri winner Indian environmental activist.

3. In Assamese व्योकाल, नल, दलौ, वेती – are the different types of what ?

4.The plant "TRACHYCARPUS MARTIANUS" is found largely in North Eastern areas, especially in Assam and is important in making which popular thing in Assamese culture ?

5.According to one of the myths, Srimanta Sankardeva once blessed a childless couple X and Y and asked them to dig a big pond in the region so that their name would live on that place. Moreover, in Karbi language X means "Goat" and Y means "Red" so the collectively the name carries the meaning "Land of Red Goats(deer)". I am talking about which World Heritage Site declared by UNESCO in 1985 ?

6. Name this animal or the deer species which has been spotted in Manas National Park in this January after two decades.



**Answers**

**1. Manas National Park.**
**2. Molai Forest by Jadav Molai Payeng**
**3. Bamboo.**
**4. Japi.**
**5. Kaziranga National Park.**
**6. Chital.**



© Longso Vimchunger

প্ৰকৃতি সংৰক্ষণৰ বিষয়বস্তু হিচাপে লৈ কৰা
নাটকৰ কৰ্মশালাৰ এটি মূহুৰ্ত

## Manas Team-

**Advisors**
Bibhuti Prasad Lahkar,PhD
M. Firoz Ahmed,PhD
Sudip Kanta Basishta,PhD
**Editorial Team**
Kamal Machary
Detsung Basumatary
Ranen Basumatary
Kuldeep Das
**Layout Design**
Nabadeep 'SHUBHAM'

An Initiative of:

MANAS TIGER CONSERVATION PROGRAM

Aaranyak Awely PANTHERA Wildlife Conservation Trust

Supported by:

german cooperation IUCN KFW